BU/EX/PG/SEM-2/2.05

**2017**

**ASSAMESE**

**Paper : 2.05 (B)**

# ASSAMESE LYRICAL LITERATURE

Full Marks: 80

Time: 3 hours

The figures in the margin indicate full marks for the questions

১। উত্তৰ লিখা ঃ ১ x ১০ = ১০

(ক) শ্বেক্সপীয়েৰৰ দ্বাৰা ৰচিত মুঠ চনেটৰ সংখ্যা কিমান?

(খ) লৰ্ড টেনিচনে ৰচনা কৰা এটা শোকগীতি (elegy) নাম উল্লেখ কৰা।

(গ) লোকসাহিত্যৰ অন্যতম বিভাগ লোকগীতক কেইটা ভাগত ভাগ কৰিব পাৰি?

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ গীতসমূহ কিহৰ সুৰেৰে সম্পৰীক্ষা কৰিছিল?

(ঙ) 'সোণৰ সোলেং' গীতিনাটিকা খনৰ ৰচক গৰাকীৰ নাম লিখা।

(চ) 'সোণবৰণী আই' শীৰ্ষক গীতৰ পুথিখনৰ গীতিকাৰ গৰাকীৰ নাম লিখা।

(ছ) 'জয় আলোকময় 'শীৰ্ষক গীতটো জ্যোতিপ্ৰসাদ আগৰৱালাৰ কোনখন নাটৰ অন্তৰ্গত ?



*P.T.O.*

(জ) আকাশবানী গুৱাহাটী কেন্দ্ৰ কোন চনত স্থাপিত হয়?

(ঝ) অসমত প্ৰথম ৰাজহুৱা বিহু ক'ত উদযাপন কৰা হৈছিল?

(ঞ) 'সংগীত সাধনা' নামৰ গীতৰ পুথিখনৰ ৰচক কোন?

২. চমুকৈ উত্তৰ লিখা ঃ ২ x ৫ = ১০

(ক) শ্বেক্সপীয়েৰীয় আৰু পেট্ৰাকীয় চনেটৰ দুটা পাৰ্থক্য উল্লেখ কৰা ।

(খ) আখ্যানমুলক লোকগীত কি ? এটি উদাহৰণ দিয়া ।

(গ) পূৰাৰ গীতৰ দুটা প্ৰধান বিষয়বস্তু উল্লেখ কৰা।

(ঘ) বিষ্ণুপ্ৰসাদ ৰাভাৰ দুখন গীতৰ পুথিৰ নাম উল্লেখ কৰা।

(ঙ) পাৰ্বতীপ্ৰসাদ বৰুৱাৰ গীতৰ দুটা প্ৰধান বিষয়বস্তু উল্লেখ কৰা।

৩. চমুটোকা লিখা ঃ (যিকোনো দুটা) ৫ x ২ = ১০

(ক) মধ্যযুগৰ ভাৰতীয় গীতিকাব্য

(খ) চৰ্য্যাপদ

(গ) পাৰ্বতীপ্ৰসাদ বৰুৱাৰ গীতত মৃত্যু-চেতনা

(ঘ) কেশৱ মবন্তৰ গীতৰ বিষয়-বৈচিত্ৰ্য

৪. 'গোৱালপৰীয়া লোকগীত' শীৰ্ষক এটি নিবন্ধ যুগুত কৰা । ৭

অথবা

বৰগীতৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰি বৰগীতৰ বিষয়বস্তু সম্পৰ্কে এক চমু আলোচনা আগবঢ়োৱা।



৫. যথাযথ উদাহৰণসহ ভূপেন হাজৰিকাৰ গীতত চিত্ৰিত প্ৰেমৰ বিচিত্ৰ ৰূপৰ এক চমু আলোচনা আগবঢ়োৱা। ৭

অথবা

ভূপেন হাজৰিকাৰ গীতৰ ভাষা আৰু আংগিক বৈশিষ্ট্য সম্পৰ্কত এক চমু বিশ্লেষণ আগবঢ়োৱা। ৭

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা।

৬. গীতি কবিতাৰ বৈশিষ্ট্যসমুহৰ চমু পৰিচয় দাঙি ধৰি ইয়াৰ প্ৰধান ভাগসমূহৰ বিষয়ে উদাহৰণসহ আলোচনা আগবঢ়োৱা । ১২

৭. অসমীয়া গীতি সাহিত্যৰ ক্ৰমবিকাশৰ এটি খতিয়ান দাঙি ধৰা । ১২

৮. জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতত বিপ্লৱী চেতনা কেনেদৰে প্ৰকাশ পাইছে, উদাহৰণসহ এটি আলোচনা যুগুত কৰা। ১২

৯. নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত নাৰী-জীৱনৰ বিভিন্ন স্তৰৰ চিত্ৰণ কেনেদৰে হৈছে, উদাহৰণসহ আলোচনা কৰা। ১২

১০. পুৰুষোত্তম দাসৰ গীতৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১২

——— x ———